30T MASS

# 2020

## ASSAMESE

(MODERN INDIAN LANGUAGE)

(NEW COURSE)

Full Marks : 100

Pass Marks : 30

Time : Three hours

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×7 = 7 |
| *Q. No. 2 carries 2 marks each* | 2×7 = 14 |
| *Q. No. 3 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 4 carries 5 marks each* | 5×2 = 10 |
| *Q. No. 5 carries 1 mark each* | 1×5 = 5 |
| *Q. No. 6 carries 2 marks each* | 2×5 = 10 |
| *Q. No. 7 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 8 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 9 carries 1 mark each* | 1×2 = 2 |
| *Q. No. 10 carries 2 marks each* | 2×2 = 4 |
| *Q. No. 11 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 12 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 13 carries 1 mark each* | 1×6 = 6 |
| *Q. No. 14 carries 2 marks each* | 2×4 = 8 |
| *Q. No. 15 carries 10 marks each* | 10×1 = 10 |
| | Total =100 |

*Contd.*

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৭=৭

(ক) ‘Comedy of Errors’-ৰ অসমীয়া ভাঙনি ‘ভ্ৰমৰংগ’ কোন চনত প্ৰকাশ পাইছিল?

(খ) কথা-কবিতা কোন শতিকাৰ উল্লেখযোগ্য সৃষ্টি?

(গ) ‘এনক আৰ্ডেন’ৰ অনুবাদকগৰাকীৰ নাম লিখাঁ।

(ঘ) আনন্দৰাম বৰুৱাই ল’ৰাকালতে কণ্ঠস্থ কৰা গ্ৰন্থখনৰ নাম কি?

(ঙ) কোন দেশৰ প্ৰাচীন নৃপতিসকলক ‘গজধ্বজ’ খিতাপেৰে বিভূষিত কৰা হৈছিল?

(চ) সংযতভাৱে জীৱন যাপন কৰি প্ৰাপ্তিতো নিৰাসক্ত হৈ থকাজনক কি বুলি কোৱা হয়?

(ছ) শীলভদ্ৰৰ প্ৰথম গল্প সংকলনটিৰ নাম কি?

(জ) ভূপেন হাজৰিকাই ‘প্ৰতিধ্বনি’ ছবিখন কোন জনগোষ্ঠীৰ লোককথাৰ ভেটিত নিৰ্মাণ কৰিছিল?

(ঝ) ‘উপকল্প’ শব্দটোৰ অৰ্থ লিখাঁ।

২। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ২×৭=১৪

(ক) “যথা নিযুক্তোঽস্মি তথা কৰোমি।” — পদটিৰ অৰ্থ লিখাঁ।

(খ) কথা-কবিতাৰ দুটা বৈশিষ্ট্য লিখাঁ।

(গ) ‘তোমাৰে আনন্দ বৰুৱাই ...’ বুলি কোনটো কবিতাত কোনে আনন্দৰাম বৰুৱাৰ প্ৰশস্তি গাইছে?

(ঘ) “বিদ্যা লাভৰ চৰম প্ৰাপ্য বা অৰ্জনীয় বিষয়ো এই দুটাই।” — লেখকে কোন দুটা চৰম প্ৰাপ্যলৈ আঙুলিয়াইছে?

(ঙ) বৰ্তমান সময়ত চিঠিৰ প্ৰাসংগিকতা আৰু মধুৰতা কমি যোৱাৰ মূল কাৰণ কি?

(চ) কাৰ্বি ভাষাৰ প্ৰথম ছবিখনৰ নাম কি? পৰিচালকগৰাকীৰ নাম লিখাঁ।

(ছ) বিজ্ঞানৰ মানৱ জাতিলৈ বহু বেছি মূল্যৱান অৱদান কি কি?

(জ) পদাৰ্থ কণা-ত্বৰক কাক বোলে?

(ঝ) 'মুকুতা' আৰু 'জাংফাই জোনাক' ছবি দুখনৰ পৰিচালক দুগৰাগীৰ নাম লিখাঁ।

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ৪×১=৪

(ক) "কালৰ পীড়নত আজিৰ অসম জীৰ্ণ-শীৰ্ণ-দীৰ্ণ।"

(খ) "... অসমীয়া চিনেমাই এতিয়াও আন্তৰ্জাতিক প্ৰেক্ষাপটত সবল খোজ দিব পৰা নাই।"

(গ) "আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোৱেই হ'ল বিজ্ঞান।"

৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৫×২=১০

(ক) 'মগনিয়াৰ' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত লিখাঁ।

(খ) জীৱন আৰু কৰ্মৰ দ্বাৰা আনন্দৰাম বৰুৱাই কেনেকৈ প্ৰাচ্য আৰু পাশ্চাত্যৰ ঐক্য সাধন কৰিছিল চমুকৈ লিখাঁ।

(গ) উপনিষদৰ কৰ্ম যোগৰ নিৰ্দেশত কি তত্ত্ব নিহিত হৈ আছে পাঠৰ আধাৰত চমুকৈ লিখাঁ।

(ঘ) 'চিঠি' গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰাঁ।

৫। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৫=৫

(ক) মাধৱদেৱে ৰামায়ণৰ কোনটো কাণ্ড ভাঙনি কৰিছিল?

(খ) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত কোনগৰাকী কবি 'জোনাকী' কাকতৰ স'তে জড়িত নাছিল?

(গ) 'বিশ্বদীপা' শীৰ্ষক জীৱনীমূলক গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাই 'ইন্দ্ৰমালতী' কথাছবিখন কোন চনত নিৰ্মাণ কৰিছিল?

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটি প্ৰথম ক'ত প্ৰকাশ হৈছিল?

(চ) ‘পছোৱা’ আলোচনীখনৰ সম্পাদকগৰাকীৰ নাম লিখাঁ।

(ছ) নৰকান্ত বৰুৱাৰ ‘ৰত্নাকৰ’ এখন উপন্যাস—কথাষাৰ শুদ্ধনে?

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৫=১০

(ক) মাধৱদেৱৰ বৰগীতক ভাৰতীয় আন কোন দুগৰাকী কবিৰ গীতৰ লগত তুলনা কৰিব পাৰি?

(খ) নলিনীবালা দেৱীৰ কোন দুখন কাব্যগ্ৰন্থৰ ভালেমান কবিতাত স্বদেশপ্ৰেমৰ সুৰ প্ৰবাহিত হৈছে?

(গ) ‘ষোড়শোপচাৰ’ কি বুজাই লিখাঁ।

(ঘ) কাঠ খুলিবলৈ আৰু মিহিকৈ চুঁচিবলৈ কাঠমিস্ত্ৰীয়ে কি কি বিশেষ সঁজুলি ব্যৱহাৰ কৰে?

(ঙ) ‘আঘোণৰ কুঁৱলী’ কবিতাটিত কবিয়ে সেউতীক উদ্দেশ্যি বৌদেউক বন্ধনীত সোধা কাব্যপংক্তিটো কি আছিল?

(চ) নৰকান্ত বৰুৱাই ৰচনা কৰা *দুখন* উপন্যাসৰ নাম লিখাঁ।

(ছ) অৰ্থ লিখাঁ ঃ ভূষণ, যদিস্যাতো।

৭। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এফাঁকি)* ৪×১=৪

(ক) উঠৰে উঠ বাপু গোপাল হে নিশি পৰভাত ভৈল।
কমল নয়ন, বুলি ঘনে ঘন, যশোৱা ডাকিতে লৈল।

(খ) আজি জনতাৰ পঙ্কজ ৰূপ
জাগে পদুমৰ দৰে,
বোকাত জনমা মানুহে আজি
আলোকলে’ উঠি আহে
বেলিমুৱা হৈ হাঁহে।।

(গ) মই নাহোঁ মই নাহোঁ
পৃথিৱী, তোমাক ভাল পাই গ'লোঁ
তথাপিও মই নাহোঁ।

৮। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ৩×২=৬

(ক) সত্ত্বঃ, ৰজঃ আৰু তমঃ গুণে মানৱ জীৱনলৈ কি কঢ়িয়াই আনে?

(খ) "লোৱা অধিকাৰ নিজ বাহুবলে" — কবিয়ে সমাজৰ কোন কোন শ্ৰেণীৰ লোকক নিজে কৰা কৰ্মৰ অধিকাৰ ল'বলৈ আহ্বান জনাইছে?

(গ) 'বিশ্বখনিকৰ' কবিতাত কবিয়ে 'কুঁহি-গজালি' বুলি কোন তিনিজোপা গছৰ নাম বন্ধনীত উল্লেখ কৰিছে?

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ *তিনিখন* কবিতা পুথিৰ নাম লিখাঁ।

৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ : ১×২=২

(ক) নন্দনতাত্ত্বিক মূল্যবোধৰ চাবি-কাঠী কি?

(খ) কৈশোৰ কালে কোন দুখন জগত সংযোগ কৰে?

(গ) 'জীৱনৰ শান্তি পৰ্ব' শীৰ্ষক প্ৰবন্ধটোৰ ৰচক কোন?

(ঘ) 'প্ৰতীতি' শব্দৰ অৰ্থ লিখাঁ।

১০। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×২=৪

(ক) ভাৰতীয় সংবিধানে ভাৰতবৰ্ষক কেনে ধৰণৰ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে?

(খ) সহজ অৰ্থত মূল্যবোধ মানে কি?

(গ) মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা *চাৰিটা* প্ৰাথমিক আৰু মৌলিক বিষয় কি কি?

(ঘ) মানসিক শক্তি মানে কি?

১১। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখিবাঁ ঃ 8×১=8

(ক) ভাৰতীয় দৰ্শনত 'মূল্যবোধ' সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) "কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল পৰিচিতিৰ সংঘাত।" — ব্যাখ্যা কৰাঁ।

১২। চমুকৈ লিখাঁ ঃ *(যিকোনো দুটা)* ৩×২=৬

(ক) বিভক্তিৰ সংজ্ঞা আৰু প্ৰকাৰ

(খ) অসমীয়া শব্দবিভক্তি

(গ) প্ৰত্যয়ৰ সংজ্ঞা আৰু ইয়াৰ শ্ৰেণীবিভাগ

(ঘ) তদ্ধিত প্ৰত্যয় ঃ সংজ্ঞা আৰু উদাহৰণ

১৩। তলৰ *যিকোনো ছটা* শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখাঁ ঃ ১×৬=৬

ৰণুৱা, জিৰণীয়া, মগনিয়াৰ, উজনি, পতিয়ন, বেগাই, সাধুতা, গাঁৱলীয়া, খেতি।

১৪। তলত দিয়া জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰাঁ ঃ *(যিকোনো চাৰিটা)* ২×8=৮

ঢৌতে খৰ মৰা, কাণ বাগৰা, গোৰ মাৰি গংগাত পেলোৱা, শালৰ মাজত শিঙি, চকুৰ মণি, পেটে-ভাতে খা, নাদৰ ভেকুলী, সোণৰ সোলেং।

১৫। তলৰ *যিকোনো এটি* বিষয় লৈ *এখন* ৰচনা লিখাঁ ঃ ১০

(ক) **অসমৰ প্ৰাকৃতিক সম্পদ আৰু ইয়াৰ সংৰক্ষণ**

(আৰম্ভণি — প্ৰাকৃতিক সম্পদ মানে কি? — অসমৰ প্ৰাকৃতিক সম্পদৰ শ্ৰেণীবিভাগ — প্ৰাকৃতিক সম্পদ ৰক্ষণা-বেক্ষণৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপ — সামৰণি।)

(খ) **একবিংশ শতিকাত প্ৰকাশিত তুমি ভালপোৱা এখন গ্ৰন্থ**

(আৰম্ভণি — গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ পৰিচয় — পঢ়ি ভালপোৱাৰ কাৰণ — বিষয়বস্তুৰ আলোচনা — সামৰণি।)

(গ) **পৰ্যটন আৰু অসম**

(আৰম্ভণি — পৰ্যটন কি — পৰ্যটনৰ শ্ৰেণীবিভাগ — অসমত পৰ্যটনৰ ক্ষেত্ৰত দেখা পোৱা সমস্যা — পৰ্যটকৰ আকৰ্ষণৰ বাবে কৰণীয় দিশ — উদ্যোগ হিচাপে পৰ্যটন — সামৰণি।)

(ঘ) **গোলকীয় উষ্ণতা বৃদ্ধি ঃ কাৰণ আৰু প্ৰতিকাৰ**

(আৰম্ভণি — গোলকীয় উষ্ণতা কি? — উষ্ণতা বৃদ্ধিৰ মূল কাৰণসমূহ — ভয়াবহতা — প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাত ব্যক্তি আৰু সমাজৰ দায়িত্ব — সামৰণি।)

(ঙ) **জৈব বৈচিত্ৰ্য আৰু সাম্প্ৰতিক সময়**

(আৰম্ভণি — জৈব বৈচিত্ৰ্য আৰু মানৱ সমাজ — জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰয়োজনীয়তা — জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ উপায় — জৈৱ বৈচিত্ৰ্য ৰক্ষাত আমাৰ কৰণীয় — সামৰণি।)

——×——

Total number of pages – 8

30T ADAS

# 2020

# ADVANCE ASSAMESE

## (NEW COURSE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 2 carries 4 marks* | 4×1 = 4 |
| *Q. No. 3 carries 4 marks* | 4×1 = 4 |
| *Q. No. 4 carries 3 marks each* | 3×3 = 9 |
| *Q. No. 5 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 6 carries 6 marks* | 6×1 = 6 |
| *Q. No. 7 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 8 carries 8 marks* | 8×1 = 8 |
| *Q. No. 9A carries 2 marks* | 2×1 = 2 |
| *Q. No. 9B carries 3 marks* | 3×1 = 3 |
| *Q. No. 9C carries 3 marks* | 3×1 = 3 |
| *Q. No. 10 carries 4 marks* | 4×1 = 4 |
| *Q. No. 11 carries 5 marks* | 5×1 = 5 |
| *Q. No. 12A carries 2 marks* | 2×1 = 2 |
| *Q. No. 12B carries 1 mark* | 1×1 = 1 |
| *Q. No. 12C carries 2 marks* | 2×1 = 2 |
| *Q. No. 13 carries 6 marks* | 6×1 = 6 |
| *Q. No. 14 carries 4 marks* | 4×1 = 4 |
| *Q. No. 15A or 15B carries 6 marks* | 6×1 = 6 |
| *Q. No. 15C carries 3 marks* | 3×1 = 3 |
| *Q. No. 15D carries 1 mark* | 1×1 = 1 |
| *Q. No. 16 carries 6 marks* | 6×1 = 6 |
| *Q. No. 17 carries 6 marks* | 6×1 = 6 |
| *Q. No. 18 carries 1 mark each* | 1×3 = 3 |
| | Total =100 |

*Contd.*

১। চমু উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) শংকৰদেৱৰ শেষ নাটখনৰ নাম লিখাঁ।

(খ) অসমীয়া সাহিত্যত গীতি-কবিতাৰ প্ৰকৃত প্ৰৱৰ্তক বুলি কাক কোৱা হয়?

(গ) সুধাৰ কাৰণে কোনে সিন্ধু-মথন-গান গাইছিল?

(ঘ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' কবিতাটিত উল্লেখ কৰা নদীখনৰ নাম কি?

২। (ক) ঋতু পৰিবৰ্তনৰ স্বাভাৱিক বৰ্ণনাৰ মাজেৰে কবিয়ে 'বৰ্ষা বৰ্ণন' কবিতাটিত ভক্তি ধৰ্মৰ তাত্ত্বিক কথা কিদৰে ব্যাখ্যা কৰিছে তোমাৰ ভাষাৰে লিখাঁ। ৪

*অথবা*

(খ) 'ই যে অগ্নি বীণাৰ তান' কবিতাটিৰ মাজেৰে প্ৰকাশ পোৱা কবিগৰাকীৰ প্ৰবল স্বদেশপ্ৰেমৰ এটি আভাস দাঙি ধৰাঁ। ৪

৩। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ১+৩=৪

(ক) সেই গাঁও, সেই দিন গ'ল আজি সকলোটি
একেলগে সকলো হেৰাল;
আগৰ সকলো আছে তথাপিও কিবা যেন
কাঁহ পৰি জীন যোৱা —
সকলোটি নিমাত নিতাল।

(খ) ৰূপান্তৰেদি আহি

বৰণ সলাই হাঁহি

মানপীয়ে নাচে এই ভাৰতৰ মঞ্চত।

যুগ কাল বাজনাৰে কৰি লৈ সঙ্গত।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×৩=৯

(ক) 'বৰ্ষা বৰ্ণন' কবিতাত থকা এটা উপমাৰ ভিতৰুৱা ভাব বুজাই লিখাঁ।

(খ) কবি ডিম্বেশ্বৰ নেওগে কোনখন গাঁৱক কিয় ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাঙৰণ বুলি কৈছে?

(গ) অৰ্থ লিখাঁ ঃ পৰাৎপৰ, নিনাদ, কিন্নৰী।

(ঘ) সীতানাথ ব্ৰহ্মচৌধুৰীৰ *তিনিখন* কাব্যগ্ৰন্থৰ নাম লিখাঁ।

৫। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) বৈদিক সাহিত্যৰ অন্তিম ভাগৰ নাম কি?

(খ) শংকৰদেৱে কি মন্ত্ৰেৰে আসামক আকৌ প্ৰাণ দিছিল?

(গ) প্ৰথম বিহুৰ নাচ আৰু গীত সম্পৰ্কে কোনখন অসমীয়া উপন্যাসত উল্লেখ পোৱা যায়?

(ঘ) 'পৃথিবীৰ চৌপাশে এপাক' গ্ৰন্থৰ লেখক কোন?

৬। (ক) ‘বুৰঞ্জীৰ দৌৰাত্ম্য’ পাঠটোৰ মাজেৰে বেজবৰুৱাৰ ব্যংগাত্মক ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে লিখাঁ। ৬

*অথবা*

(খ) বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰাঁ। ৬

৭। তলত দিয়া ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৩×২=৬

(ক) ৰামায়ণ

(খ) ইন্দ্ৰধ্বজ পূজা

(গ) আসাম বন্ধু

৮। (ক) নৱকান্ত বৰুৱাৰ ‘কপিলীপৰীয়া সাধু’ উপন্যাসত ভাৰতৰ স্বাধীনতা আন্দোলন আৰু মহাত্মা গান্ধীৰ প্ৰসংগ কেনেদৰে উত্থাপিত হৈছে আলোচনা কৰাঁ। ৮

*অথবা*

(খ) ‘কপিলী দুখৰো চকুলো — আনন্দৰো চকুলো।’ এই উক্তিৰ আধাৰত কপিলী নদীৰ স’তে দাঁতি কাষৰীয়া মানুহৰ আত্মিক সম্পৰ্ক বিচাৰ কৰাঁ। ৮

৯। (ক) ‘ৰজাপোৱালীৰ দেশ’ বুলি ঔপন্যাসিকে কোন কেইখন ঠাইৰ সাতে পাঁচে বাৰঘৰ ৰজাৰ কথা উল্লেখ কৰিছে? ২

(খ) ৰূপাচিং ৰজাই তিলক গোসাঁইলৈ লিখা চিঠিখনৰ মৰ্মাৰ্থ কি আছিল? ৩

(গ) ‘গোসাঁই পুখুৰী’ সৃষ্টিৰ নেপথ্যত থকা কিম্বদন্তিটো লিখাঁ। ৩

১০। তলত দিয়া *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) তিলক গোসাঁই

(খ) চুধাংচু বাবু

(গ) ভাঙুৰী ভকত

১১। (ক) ‘আমাৰ ছাৰ’ৰ প্ৰকৃত নাম কি? তেওঁৰ চৰিত্ৰ বিশ্লেষণ কৰি এটি টোকা যুগুত কৰাঁ। ১+৪=৫

*অথবা*

(খ) ‘হাতী’ গল্পত মূল্যবোধৰ অৱক্ষয় কেনেদৰে চিত্ৰিত হৈছে, তাৰ এটি আভাস দাঙি ধৰাঁ। ৫

১২। (ক) "গালি পৰা কথাটোৰ অৰ্থ আছে।" — কি কাৰণত ছাৰে কাক গালি পাৰিছিল? ২

(খ) বলোৰাম মেধিয়ে নিজৰ কিমান বছৰ বয়স হওঁতে এটা হাতী কিনি আনিছিল? ১

(গ) বিয়াঘৰৰ পদূলিমুখত বলোৰাম বুঢ়া আৰু বাপধন স্তব্ধ স্তম্ভিত হৈ ৰোৱাৰ কাৰণ কি আছিল? ২

১৩। চুটিগল্পৰ আৰু উপন্যাসৰ মাজত থকা মিল-অমিলসমূহ দেখুৱাই এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৪। তলৰ *যিকোনো এটাৰ* বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) উপন্যাসৰ চৰিত্ৰ

(খ) চুটিগল্পৰ উপাদান

(গ) বুৰঞ্জীমূলক উপন্যাস

১৫। (ক) শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ মাজত থাই পাৰ্থক্য কিহত? দুবিধ অৰ্থালংকাৰৰ সংজ্ঞাসহ উদাহৰণ দিয়া। ২+২+২=৬

*অথবা*

(খ) 'কাব্যম্ গ্ৰাহ্যম্ অলংকাৰাৎ' — এই উক্তিৰ আধাৰত কাব্য ৰমণীয় কৰাত অলংকাৰে কেনে ভূমিকা পালন কৰে উদাহৰণসহ লিখাঁ। ৬

(গ) "বগাকৈ বগলী বহলাই বহিছে
বলুকাত বিয়লি বেলা,
বকুল বাগৰিছে ববছা বনতে
বুটলি বিলাওঁগৈ ব'লা।"

— এই কাব্যপংক্তিত কি অলংকাৰ প্ৰয়োগ হৈছে? অলংকাৰবিধৰ বিষয়ে চমুকৈ লিখাঁ। ১+২=৩

(ঘ) উপমা *অথবা* অতিশয়োক্তি অলংকাৰৰ এটি উদাহৰণ দিয়া। ১

১৬। ১৮৮৯-১৯৪০ — এই সময়ছোৱাৰ *যিকোনো এগৰাকী* গল্পকাৰৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৭। (ক) '*মিৰি জীয়ৰী' সোৱণশিৰি বালিৰপৰা বুটলি অনা এচপৰা কেঁচাসোণ*। এই উক্তিৰ আধাৰত ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসখনৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা। ৬

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ উপন্যাসৰ সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ৬

১৮। চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) 'ফুল' আৰু 'সাধনা' উপন্যাস *নে* চুটিগল্প?

(খ) 'কেঁহোকলি' গল্প সংকলনটিৰ ৰচক কোন?

(গ) শৰৎচন্দ্ৰ গোস্বামীৰ *এখন* গল্পপুথিৰ নাম লিখাঁ।

———×———